ৱিকিপিডিয়া
মুক্ত বিশ্বকোষ

# ৱিকিপিডিয়া আলোকচিত্ৰ আৰু প্ৰবন্ধ প্ৰতিযোগিতাৰ নিয়মাৱলী

***আলোকচিত্ৰ প্ৰতিযোগিতাৰ উদ্দেশ্য:***

অসমীয়া ৱিকিপিডিয়াত অসম বিষয়ক উন্নত মানৰ আলোকচিত্ৰৰ সংখ্যা বৃদ্ধি কৰাৰ লগতে উন্নত মানৰ আলোকচিত্ৰক উদগনি দি তথ্যসমৃদ্ধ আলোকচিত্ৰ বিষয়ক জাগৰণ সৃষ্টি কৰা। গোলকীয়ভাৱে অসমৰ যিকোনো বিষয়ৰে চিত্ৰসমূহ যিহেতু এতিয়াও সহজলভ্য নহয়, সেই অভাৱ দূৰ কৰি অসমৰ বিভিন্ন দিশ সম্পৰ্কে বিশ্ববাসীক অৱগত কৰোৱাতো এই প্ৰতিযোগিতাৰ ঘাই লক্ষ্য।

**==আলোকচিত্ৰ প্ৰতিযোগিতাৰ নিয়মাৱলী==**

# আলোকচিত্ৰসমূহ “অসম সংক্ৰান্তীয়” তথ্য প্ৰকাশ কৰা বিধৰ হ'ব লাগিব। অসমৰ লগত জড়িত যিকোনো বিষয়ৰ আলোকচিত্ৰ হ'ব পাৰে। (মুগা-পলুৰপৰা আৰম্ভ কৰি বিভিন্ন পৰ্যটন স্থলসমূহলৈ, দীপ বাহন ৰিক্সাৰপৰা আৰম্ভ কৰি সত্ৰীয়া নৃত্যৰ মুদ্ৰালৈ, চাং-গোহালিৰপৰা আৰম্ভ কৰি তলাতল ঘৰলৈ - মুঠতে অসম বিষয়ক তথ্য থকা যিকোনো ছবি।)

# আলোকচিত্ৰসমূহ “নিজে তোলা” হ'ব লাগিব। ছবিখন প্ৰতিযোগিতাৰ বাবে আগবঢ়োৱা মানেই ছবিখন প্ৰতিযোগীয়ে নিজে তোলা বুলি ধৰি লোৱা হ'ব। নকল কৰা ছবি বা আনৰ ছবি নিজৰ বুলি উল্লেখ কৰাটো দৃষ্টিগোচৰ হ'লে ছবিখনক প্ৰতিযোগিতাৰপৰা আঁতৰাই দিয়া হ'ব।

# ছবিত সম্বলিত বিষয়টোৰ ওপৰত “চমু টোকা বা সাৰাংশ” দিলে কিছুমান ক্ষেত্ৰত তথ্যৰ গুৰুত্ব বুজাত সহায়ক হয়। কিন্তু এইটো বাধ্যতামূলক নহয়।

# মূল উদ্দেশ্য (তথ্য প্ৰকাশ) অক্ষুণ্ণ ৰাখি প্ৰতিযোগীসকলে নিজৰ সৃজনীশীলতা আৰোপ কৰাত কোনো বাধা নাই। প্ৰতিযোগিতাৰ বিচাৰত ঘাইকৈ কলাত্মক দিশটোৰহে বিচাৰ কৰা হ'ব।

# একোজন প্ৰতিযোগীয়ে “ইচ্ছানুসাৰে আলোকচিত্ৰ দিব পাৰিব”। লগতে ছবিসমূহক একোটা ছিৰিজত ভাগ কৰা, এটা বিষয়ক পূৰ্ণ ভাৱে ছবিৰে প্ৰকাশ কৰা বা আন যিকোনো নিজস্ব উদ্ভাৱনী কৌশল প্ৰয়োগ কৰি প্ৰতিযোগীয়ে ভাগ ল'ব পাৰে।

# ছবিসমূহত “শিৰোনাম” (Caption) নিদিলেও অসুবিধা নাই। থাকিলেও সেইটো বিমূৰ্ত নাম হোৱাতকৈ ছবিখনে দাঙি ধৰা তথ্যৰ ওপৰত হোৱা উচিত। “ছবিসমূহৰ নাম ইংৰাজী লিপিত” দিলে গোলকীয় ব্যৱহাৰ কৰিবৰ বাবে সুবিধা হয়।

# ইতিকিং কৰা বিধৰ, যৌনতা সম্বলিত, গ্লেমাৰ ছবি, বিষয়ৰ ওপৰত পক্ষপাতী মত বহন কৰা ছবি বা “সামাজিক ভাৱে অগ্ৰহণযোগ্য বিষয়ৰ ছবি দিব নোৱাৰিব”। এনে ক্ষেত্ৰত মতান্তৰ হ'লে বিচাৰকৰ সিদ্ধান্তই চূড়ান্ত বুলি গ্ৰহন কৰা হ'ব।

# “চিত্ৰসমূহৰ আকাৰ কমেও ৬৪০ পিক্সেল” (দীঘ বা প্ৰস্থ) হ'ব লাগিব। ৰিজ'লিউছনৰ বাবে বিশেষ বাধ্য-বাধকতা নাই যদিও “কমেও ৭২ পিক্সেল/ইঞ্চি” হ'ব লাগিব। প্ৰয়োজনতকৈ ডাঙৰ আকাৰৰ ফাইল আপলোড নকৰিব। ভাল ৰিজ'লিউছনৰ ছবি বিচাৰৰ বাবে সুবিধা হয় হেতুকে প্ৰতিযোগীয়ে যিমানে ভাল ৰিজ'লিউছনৰ ছবি আপলোড কৰে, সিমানে ভাল।

# চিত্ৰৰ আপলোডৰ বাবে png, gif, jpg, jpeg, xcf, pdf, svg, djvu, tiff, tif এইকেইটাৰ ভিতৰত যিকোনো এটা “এক্সটেনছনৰ ফাইল” ব্যৱহাৰ কৰিব পাৰিব।

# ছবি ''ৰঙীন অথবা ক'লা-বগা'' হ'ব লাগিব।

# চকুত পৰা ধৰণে ''ডিজিটেল এফেক্ট ব্যৱহাৰ কৰিব নোৱাৰিব''।

# ছবিসমূহৰ দৃশ্যমান অংশত কোনো ''ৱাটাৰমাৰ্ক, কপিৰাইট মাৰ্ক, শিল্পীৰ নাম বা আন যিকোনো পোষ্ট-প্ৰডাকছনৰ সময়ত যোগ দিয়া অংশ থাকিব নোৱাৰিব''। ছবিত থকা তাৰিখ আৰু সময়টোও আতৰাই দিব লাগিব। চিত্ৰখন কম্প্ৰেছ কৰাৰ সময়ত সাৱধানতা অৱলম্বন কৰিব, যাতে প্ৰয়োজনীয় ডিটেইল্‌ছ কমি নাযায়।

# ছবিসমূহ ডিজিটেল কেমেৰাৰে তুলি আপলোড কৰিব পাৰে বা তোলা ফটোৰ স্কেন কৰিও দিব পাৰে।

স্কেন কৰি দিলে প্ৰতিযোগীয়ে উল্লেখ কৰিলে ভাল হয়। স্কেনিঙৰ সময়ত হোৱা কিছুমান অসুবিধা তেতিয়া বিচাৰৰ সময়ত গ্ৰাহ্য কৰিব পৰা যায়।

# প্ৰতিযোগীয়ে ভাগ ল'বলৈ আগবঢ়োৱা সকলো ছবি ('''creative commons attribution share alike''') অনুজ্ঞাৰ অন্তৰ্ভুক্ত হ'ব। আৰু এবাৰ আপলোড কৰাৰ পাছত প্ৰতিযোগীয়ে এই অনুজ্ঞা উঠাই ল'ব নোৱাৰিব। চিত্ৰসমূহ ৱিকিপিডিয়াৰ চিত্ৰ ভঁৰালত থাকিব আৰু প্ৰয়োজন বোধে অসমীয়াৰ লগতে যিকোনো ভাষাৰ ৱিকিপিডিয়াত ব্যৱহাৰ হ'ব পাৰিব। (Creative Commons Share alike অনুজ্ঞাৰ অন্তৰ্গত কৰ্ম অইন ব্যক্তিয়ে বিতৰণ আৰু ব্যৱহাৰ কৰিব পাৰে। কিন্তু মূল স্ৰষ্টাৰ (অৰ্থাৎ আপোনাৰ) কথা বা কোন উৎসৰপৰা লোৱা হৈছে সেইটো উল্লেখ কৰাটো বাধ্যতামূলক। লগতে আপোনাৰ কৰ্মক অইন কাৰ্যত ব্যৱহাৰ কৰিলেও তাক একে অনুজ্ঞাৰ (Creative Commons Attribution Share Alike) আধাৰত বিতৰণ কৰিব লাগিব। অৰ্থাৎ অইন ব্যক্তিয়ে আপোনাৰ কৰ্মক নিজৰ বুলি বা অৰ্থ লাভৰ বাবে ব্যৱহাৰ কৰিব নোৱাৰে। অৱশ্যে স্ৰষ্টাই নিজৰ ইচ্ছা মতে তৃতীয় ব্যৱহাৰকাৰীক অইন স্বত্ব দিব পাৰে।)
# আলোকচিত্ৰ দাখিলৰ শেষ সময় ***২৫-মে', ২০১২।***

**====ৱিকিপিডিয়াত আলোকচিত্ৰ দাখিল====**

* অসমীয়া ৱিকিপিডিয়াত ছবি আপলোড কৰিবৰ বাবে সদস্যভুক্ত হোৱা বাধ্যতামূলক। একাউণ্ট নোখোলাকৈ আপুনি চিত্ৰ আপলোড কৰিবলৈ কোনোমতেই সমৰ্থ নহ'ব। সেয়ে প্ৰথমেই অসমীয়া ৱিকিপিডিয়াৰ পৃষ্ঠাৰ সোঁফালে "প্ৰৱেশ/সদস্যভুক্তি" লিংকটোলৈ গৈ পঞ্জীয়ন কৰক।
* প্ৰৱেশ (Log in) কৰাৰ পাছত অসমীয়া ৱিকিপিডিয়াৰ বেটুপাতৰ বাওঁফালে "ফাইল আপলোড" বুলি এটা ক্লিক কৰিব পৰা লিংক পাব।
* ফাইল আপলোডত ক্লিক কৰিলে ছবি আপলোড কৰা পৃষ্ঠাটো দেখুৱাব। তাৰে 'choose file' বুটামত ক্লিক কৰি ওলোৱা ফাইল-বক্সত আপুনি নিজৰ কম্পিউটাৰৰপৰা ছবিখন বাচি লওক,  লক্ষ্য ফাইলৰ নামটো ছবিখনৰ বিষয়ৰ লগত মিলি যোৱা কিন্তু চুটি নাম এটা দিয়ক (ইংৰাজীত দিব,  তেতিয়াহ'লে আন ভাষাৰ ৱিকিপিডিয়াত ব্যৱহাৰৰ সুবিধা হ'ব), সাৰাংশ অংশত ছবিখনৰ বিষয়, আৰু কি তথ্য বুজোৱাৰ বাবে ব্যৱহাৰ কৰা হৈছে উল্লেখ কৰক।
* সৰ্বশেষত ঠিক তলৰ ফালে "অনুজ্ঞাপত্ৰ'': বাছনি এটা দেখা পাব। তাত আপুনি "অসমীয়া ৱিকিপিডিয়াৰ আলোকচিত্ৰ প্ৰতিযোগিতা" নামৰ বাছনিটোত ক্লিক কৰি চিত্ৰখন সাঁচি থওক|
* ৱিকিপিডিয়াত আপলোড কৰাত অসুবিধা পালে, "ৱিকিপিডিয়া:চিত্ৰ আপলোড" পৃষ্ঠাখন চাওক, বা কাৰ্যনিৰ্বাহক সমিতিৰ সদস্যসকলৰ সৈতে দূৰভাষযোগে যোগাযোগ কৰক, বা ফেচবুকত Assamese Wikipedia community  গোটত পোনপটীয়াভাৱে সহায় বিচাৰিব পাৰে|

**বি:দ্ৰ:** - অনুজ্ঞাপত্ৰৰ সঠিক নিৰ্বাচন কৰিব নাইবা সাৰাংশ অংশৰ একেবাৰে আৰম্ভণিতে বন্ধনীৰ মাজত 'অসমীয়া ৱিকিপিডিয়াৰ আলোকচিত্ৰ প্ৰতিযোগিতাৰ বাবে' বুলি লিখি দিব। অন্যথা আপোনাৰ ছবিখন প্ৰতিযোগিতাৰ বাবে অন্তৰ্ভুক্ত কৰা নহ'বও পাৰে।

**====ই-মেইলযোগে আলোকচিত্ৰ দাখিল====**

ৱিকিপিডিয়াত আপলোড কৰাটোৱেই প্ৰথম পছন্দ যদিও অসুবিধা পালে আপুনি (assamesewikipedia@yahoo.com) এই মেইলৰ ঠিকনালৈ ছবিসমূহ সংযুক্ত কৰি পঠিয়াব পাৰে। ছবি পঠিয়ালে মেইলৰ subject অংশত '''Assamese Wikipedia Photography competition''' বুলি উল্লেখ কৰি দিব। মেইলৰ ভিতৰত ছবিখনৰ বিষয় আৰু আপোনাৰ নাম, ঠিকনা আৰু ফোন নম্বৰ উল্লেখ কৰিব। কেবাখনে ছবি পঠিয়ালে প্ৰতিখনৰ ফাইল নামৰ বিপৰীতে বিষয় বেলেগে বেলেগে উল্লেখ কৰিবলৈ নাপাহৰিব।

*প্ৰবন্ধ প্ৰতিযোগিতাৰ উদ্দেশ্য*

অসমীয়া ৱিকিপিডিয়াত নতুন সদস্যৰদ্বাৰা প্ৰবন্ধ লিখাৰ উৎসাহ বৃদ্ধি কৰা আৰু প্ৰতিযোগিতাৰ নামতে অন্ততঃ কেইটামান ভাল প্ৰবন্ধ যোগ দিয়া। লগতে নিৰপেক্ষ আৰু যুক্তিশীল তথ্যসাহিত্য ৰচনাৰ প্ৰতি ৰাইজৰ আগ্ৰহ বৃদ্ধি কৰা।

**===ভাগ লোৱাৰ নিয়ম===**

অসমীয়া ৱিকিপিডিয়াৰ সাধাৰণ নিয়মমতেই নতুন প্ৰবন্ধ এটা আৰম্ভ কৰি প্ৰবন্ধ প্ৰতিযোগিতাত যোগ দিব পাৰে। ৱিকিপিডিয়াত প্ৰবন্ধ লিখাৰ বাবে প্ৰথমে http://as.wikipedia.org ৱেবছাইটলৈ গৈ সদস্যভুক্ত হওক আৰু আপুনি লিখিব বিচৰা প্ৰবন্ধটো লিখিবলৈ আৰম্ভ কৰক। নতুন প্ৰবন্ধ আৰম্ভ কিদৰে কৰিব সেই বিষয়ে সবিশেষ জানিবৰ বাবে আপুনি “ৱিকিপিডিয়া:প্ৰবন্ধ এটা কেনেকৈ আৰম্ভ কৰিব” পৃষ্ঠাখন চাওক্। কিবা অসুবিধা পালে ৱিকিৰ ভিতৰতে “ৱিকিপিডিয়া:সাহায্য কেন্দ্ৰ”ত সহায় বিচাৰিব পাৰে নাইবা ফেচবুকতো আমাৰ https://www.facebook.com/groups/assamwikigroup/ ত আপুনি আমাৰ সৈতে পোনপটীয়াভাৱে সহায় বিচাৰিব পাৰে। ৱিকিপিডিয়াৰ ভিতৰতে লিখা প্ৰবন্ধ মাজে মাজে সম্পাদনা কৰি যাব পাৰি। সেয়ে এবাৰতে প্ৰবন্ধ এটা শেষ নকৰিলেও কোনো কথা নাই। কিন্তু ৩১ মে' তাৰিখৰ পাছত আৰু সম্পাদনা কৰিব নোৱাৰিব। প্ৰবন্ধৰ শিৰোনামাত প্ৰবন্ধৰ নামটোৰ লগতে বন্ধনীৰ ভিতৰত "প্ৰতিযোগিতাৰ প্ৰবন্ধ" বুলি উল্লেখ কৰক, উদাহৰণ: "প্ৰবন্ধৰ নাম (প্ৰতিযোগিতাৰ বাবে)"।

ৱিকিপিডিয়াৰ ভিতৰতে লিখাটো প্ৰথম পছন্দ। কিন্তু ৱিকিপিডিয়াত লিখিবলৈ অসুবিধা পালে, প্ৰবন্ধটো অসমীয়া ইউনিকোডত লিখি doc, odt, rtf বা txt যিকোনো এটা ফৰ্মেটত তলৰ ই-মেইল ঠিকনালৈ পঠিয়াই দিব পাৰে। মেইল পঠিওৱাৰ '''অন্তিম তাৰিখ: ৩১-মে', ২০১২'''. মেইলত পঠিয়ালে subject হিচাপে, 'Article for Assamese Wikipedia competition' বুলি উল্লেখ কৰিব। নিজৰ নাম আৰু ঠিকনা আৰু যোগাযোগৰ নম্বৰ জনাবলৈ নাপাহৰিব।

ই-মেইল ঠিকনা: assamesewikipedia@yahoo.com

অসমীয়া ইউনিকোডত লিখিবলৈ অসুবিধা পালে টাইপ কৰা বা হাতে লিখা প্ৰবন্ধ তলৰ ঠিকনালৈ ডাক-যোগে পঠিয়াব পাৰিব। ডাকযোগে পঠিওৱা প্ৰবন্ধ  ২৫-মে', ২০১২-ৰ আগতেই আহি পোৱাকৈ পঠিয়াব। নিজৰ নাম আৰু ঠিকনা আৰু যোগাযোগৰ নম্বৰ জনাবলৈ নাপাহৰিব। ডাক-যোগে প্ৰবন্ধ পঠিৱাবলৈ শেষ পৃষ্ঠা চাওঁক।

**==প্ৰবন্ধ প্ৰতিযোগিতাৰ নিয়মাৱলী==**

# প্ৰবন্ধসমূহ **বিশ্বকোষীয় ধাৰণা**ৰ আৰু অসমীয়া ভাষাত লিখা হ'ব লাগিব। বিশ্বকোষীয় ধাৰণাত আলোচিত বিষয়ৰ সম্যক আৰু সম্পূৰ্ণ ধাৰণা দিয়াৰ প্ৰয়াস কৰা হয়। লিখিব খোজা বিষয়টোৰ ওপৰত বস্তুনিষ্ঠ তথ্যৰ উল্লেখেৰে নিৰপেক্ষ ভাৱে দিশসমূহ আলোচনা কৰা হয়। এনে প্ৰবন্ধত লিখকে ভাল বা বেয়া কোনো ধৰণে নিজৰ মন্তব্য নিদিয়ে। লগতে নিজা মতবাদ আদিও আগ নবঢ়ায়। অইন তথ্যৰ আধাৰতো লেখকে নিজৰ ফালৰপৰা এইটোৱেই শুদ্ধ জাতীয় মন্তব্যও আগবঢ়াব নালাগে। প্ৰবন্ধত উল্লেখিত তথ্যসমূহ মূল কোন উৎসৰপৰা লোৱা হৈছে তাৰ উল্লেখ থকাটো বাধ্যতামূলক। কোনো ক্ষেত্ৰত নিজে জনা কিন্তু অইন উৎসত নোপোৱা কথা "*(উদ্ধৃতি লাগিব)*" বুলি উল্লেখ কৰি থ'ব পাৰে। কিন্তু এই উৎসবিহীন তথ্য যিমান পাৰি সিমান কম হোৱা উচিত। এই বিষয়ে লগত সন্নিবিষ্ট 'আৰ্হি প্ৰবন্ধ' চাওক।

# ৱিকিপিডিয়াৰ প্ৰবন্ধবোৰৰ এটা নিজস্ব চানেকী আছে। সেইটো 'আৰ্হি প্ৰবন্ধ 'ত দেখুওৱা হৈছে। অৱশ্যে বিষয়ভেদে প্ৰবন্ধ আৰ্হি সলনি হ'ব পাৰে। এই বিষয়ে বিতংকৈ জানিবলৈ ইংৰাজী ৱিকিপিডিয়াৰ প্ৰবন্ধসমূহ এবাৰ চাই ল'ব পাৰে।

# প্ৰবন্ধ প্ৰতিযোগিতা ৱিকিপিডিয়া লিখিত প্ৰবন্ধ বা প্ৰতিযোগিতাৰ বাবে বেলেগে পঠিওৱা প্ৰবন্ধক একেলগ কৰি অনুষ্ঠিত হ'ব। এই প্ৰতিযোগিতাত ৱিকিপিডিয়াৰ অভিজ্ঞ সদস্যসকলে (এবছৰতকৈ পুৰণি) যোগ দিব নোৱাৰিব। “প্ৰবন্ধৰ ভাষা অসমীয়া হ'ব লাগিব”। প্ৰয়োজন বোধে ইংৰাজী সংজ্ঞাবাচক শব্দ ব্যৱহাৰ কৰিব পাৰিব, কিন্তু তেনে শব্দবোৰ অসমীয়া আখেৰেৰে লিখিব লাগিব আৰু বন্ধনীৰ ভিতৰত ইংৰাজী বানানটো যোগ কৰি দিব লাগিব। সচৰাচৰ ব্যৱহাৰ নোহোৱা অসমীয়া সংজ্ঞাবাচক শব্দৰ বাবে মূল ইংৰাজী শব্দটো বন্ধনীৰ ভিতৰত উল্লেখ কৰি দিলে ভাল।

# প্ৰতিযোগিতাৰ বাবে জমা দিয়া যিকোনো হাতে-লিখা প্ৰবন্ধও ৱিকিপিডিয়াৰ অংশ বুলি বিবেচিত হ'ব আৰু তাক সম্পাদনা কৰি ৱিকিপিডিয়াত যোগ দিয়া হ'ব।
# একোটা প্ৰবন্ধ লিখাত এজনতকৈ বেছি প্ৰতিযোগী মিলি এটা গোট হিচাপে যোগদান কৰিব পাৰিব। ৱিকিপিডিয়াত লিখা প্ৰবন্ধৰ বাবে আটাইকেইজন প্ৰতিযোগীৰ নাম প্ৰবন্ধটো আৰম্ভ কৰাৰ সময়তে উল্লেখ কৰিব লাগিব। এবাৰ প্ৰবন্ধ লিখিবলৈ আৰম্ভ কৰাৰ পাছত নতুন সদস্য প্ৰতিযোগী গোটত যোগ দিব নোৱাৰিব।
# প্ৰবন্ধৰ বিষয়বস্তু নিৰ্দিষ্ট নহয়। মাত্ৰ লিখাৰ আগতে সেই বিষয়ক প্ৰবন্ধ ৱিকিপিডিয়াত ইতিমধ্যে আছে নেকি নিশ্চিত কৰি ল'ব, অসুবিধা পালে কৰ্মকৰ্তাৰ লগত যোগাযোগ কৰি নিশ্চিত হওক। আগতে থকা দীঘল প্ৰবন্ধ আকৌ লিখিব নোৱাৰিব। কিন্তু 'পোখালি' বুলি উল্লেখ কৰি থোৱা প্ৰবন্ধ হাতত ল'ব পাৰে। প্ৰবন্ধবোৰ সম্পূৰ্ণৰূপে বিশ্বকোষীয় ধাৰণাৰ হ'ব লাগিব। অৰ্থাৎ নিৰপেক্ষ, সম্যক ধাৰণা দিব পৰা, আৰু তথ্য-উৎসৰ উল্লেখ (reference) থাকিব লাগিব। ৱিকিপিডিয়াৰ সম্পাদনাৰ কাৰিকৰী খুঁতিনাটি ঠিক কৰিবলৈ প্ৰতিযোগীয়ে অভিজ্ঞ সদস্যৰ সহায় ল'ব পাৰিব। কিন্তু তেনে সদস্যই মাত্ৰ টেবুল সজাই দিয়া, ৰেফাৰেন্স সঠিক স্থানত বহুওৱা, তথ্য-পেৰা কেনেকৈ যোগ দিব লাগে দেখুৱাই দিয়া, ছবি কেনেকৈ যোগ দিব লাগে দেখুৱাই দিয়া আদিৰ দৰে কাৰিকৰী কামত সহায়হে কৰিব পাৰিব। অভিজ্ঞ সদস্যই মূল লিখিত অংশত কোনো ধৰণৰ সালসলনি কৰিব নোৱাৰিব।
# হাতে-লিখা প্ৰবন্ধসমূহ ৱিকিপিডিয়াৰ সদস্যই ৱিকিপিডিয়াত সংযোগ কৰি দিব। হাতে লিখা/কাগজত লিখা প্ৰবন্ধত ৰেফাৰেন্স দিয়া অংশত নম্বৰ দি ৰেফাৰেন্সটো তলত উল্লেখ কৰিব লাগিব। উদাহৰণৰ বাবে সংযোগী 'আৰ্হি' (sample) চাওক।
# প্ৰবন্ধ লিখোঁতাসকলে ইতিপূৰ্বে থকা যিকোনো ছবি ব্যৱহাৰ কৰিব পাৰিব। প্ৰয়োজন বোধে নিজে তোলা ছবি বা অঁকা ৰেখা-চিত্ৰ আদি আপলোড কৰি ব্যৱহাৰ কৰিব পাৰিব। নিজে তুলি দিয়া তেনে ছবি ছবি প্ৰতিযোগিতাৰ বাবেও মান্য হ'ব। অইন উৎসৰপৰা অনা ছবি যেনে বাতৰি-কাকত, আলোচনী আদিৰপৰা কটা ছবি ব্যৱহাৰ কৰিব নোৱাৰিব।
# ৩১-মে' ২০১২ তাৰিখৰ পাছত আৰু বিচাৰকে চাই নিজৰ মন্তব্য নিদিয়া পৰ্যন্ত প্ৰবন্ধটো সম্পাদনা কৰিব নোৱাৰিব। অৱশ্যে তাৰ পাছত প্ৰবন্ধটো ৱিকিপিডিয়াৰ অইন প্ৰবন্ধৰ দৰে একেই
বুলি বিবেচিত হ'ব আৰু সম্পাদনা আদি আন প্ৰবন্ধৰ দৰেই চলি থাকিব।
# প্ৰতিযোগিতাৰ বাবে লিখা একোটা প্ৰবন্ধত প্ৰসঙ্গ পুথিৰ নাম আৰু বিৱৰণ বাদ দি মূল লেখাৰ শব্দৰ সংখ্যা '''সৰ্বনিম্ন ৫০০ শব্দৰপৰা সৰ্বাধিক ৩০০০ শব্দৰ ভিতৰত''' হ'ব লাগিব।
# সকলো প্ৰবন্ধ ৱিকিপিডিয়াৰ নিয়ম অনুসৰি Creative Commons Attribution-Share Alike অনুজ্ঞাপত্ৰৰ অধীন হ'ব আৰু প্ৰতিযোগিতাৰ পাছতো ৱিকিপিডিয়াত জমা কৰি ৰখা হ'ব।
# প্ৰবন্ধ এটা সম্পূৰ্ণ ৰূপে বা একোটা অংশ অইন উৎসৰপৰা নকল কৰা বা মুকলি অনুবাদ কৰা বুলি প্ৰমাণিত হ'লে প্ৰবন্ধটো প্ৰতিযোগিতাৰপৰা বাহিৰ কৰাৰ উপৰিও ৱিকিপিডিয়াৰপৰা গুচাই দিয়া হ'ব।

**===পুৰস্কাৰ প্ৰদান===**

শ্ৰেষ্ঠ ছবিৰ প্ৰথম, দ্বিতীয়, তৃতীয় বঁটা আৰু মানপত্ৰ আগবঢ়োৱা হ'ব। ইয়াৰ বাহিৰেও বিভিন্ন শিতান সাপেক্ষে শ্ৰেষ্ঠ ছবি নিৰ্বাচন কৰা হ'ব। সৰ্ব্বোচ্চ সংখ্যক তথ্যসমৃদ্ধ আৰু মান বিশিষ্ট ছবি জমা দিওঁতাৰ প্ৰতিও বিশেষ উপহাৰ থাকিব। দুষ্প্ৰাপ্য বিষয়ৰ ছবি, দুৰ্গম স্থানৰ ছবি আদিৰ বাবে প্ৰতিযোগীক বেলেগে সন্মানিত কৰা হ'ব।
শ্ৰেষ্ঠ প্ৰবন্ধৰ প্ৰথম, দ্বিতীয়, তৃতীয় বঁটা আৰু মানপত্ৰ আগবঢ়োৱা হ'ব। ইয়াৰ বাহিৰেও বিভিন্ন শিতান সাপেক্ষে শ্ৰেষ্ঠ প্ৰবন্ধ নিৰ্বাচন কৰা হ'ব।

**===বিচাৰ ব্যৱস্থা===**

প্ৰতিযোগিতা সম্বন্ধীয় সকলো ক্ষেত্ৰত বিচাৰকৰ সিদ্ধান্তই চূড়ান্ত বুলি বিবেচিত হ'ব।

# আৰ্হি প্ৰবন্ধ : মামণি ৰয়ছম গোস্বামী

মামণি ৰয়ছম গোস্বামী বা ইন্দিৰা গোস্বামী (১৯৪১-২০১১), সততে মামণি বাইদেউ [3] হিচাবে পৰিচিতা, ভাৰতৰ (অসম) এগৰাকী জ্ঞানপীঠ বঁটা বিজয়ী সাহিত্যিক। তেখেতে মাতৃভাষা অসমীয়াৰ উপৰিও ইংৰাজী ভাষাতো সাহিত্যকৃতি সৃষ্টি কৰিছিল। ৰামায়ণী সাহিত্যৰ গৱেষক হিচাবে মাধৱ কন্দলীৰ ৰামায়ণৰ গৱেষণাত ডক্টৰেট ডিগ্ৰী লাভ কৰা ড° গোস্বামীয়ে দিল্লী বিশ্ববিদ্যালয়ৰ আধুনিক ভাৰতীয় ভাষা বিভাগত অধ্যাপিকা স্বৰূপে অৱসৰ গ্ৰহণ কৰে।

গল্পকাৰ হিচাবে আত্মপ্ৰকাশ কৰা ড° গোস্বামীৰ ৰচনাৰ ভিতৰত অহিৰণ, চেনাবৰ স্ৰোত, নীলকণ্ঠী ব্ৰজ, মামৰে ধৰা তৰোৱাল, তেজ আৰু ধূলিৰে ধূসৰিত পৃষ্ঠা, দঁতাল হাতীৰ উঁয়ে খোৱা হাওদা, আধা লেখা দস্তাবেজ, সংস্কাৰ, উদয়ভানুৰ চৰিত্ৰ আদি উল্লেখযোগ্য উপন্যাস। তেখেতে ১৯৮২ চনত সাহিত্য অকাডেমি বঁটা[4] আৰু ১৯৯৯ চনত ভাৰতীয় জ্ঞানপীঠ বঁটা[5] লাভ কৰে। তেখেত ভাৰতৰ প্ৰথম Principal Prince Claus Laureate (২০০৮)[6] আছিল।

অসমত অত্যন্ত জনপ্ৰিয় লেখিকাগৰাকীয়ে অসমৰ বিদ্ৰোহী সংগঠন 'সংযুক্ত মুক্তি বাহিনী, অসম' (United Liberation Front of Assam: ULFA)-ক অস্ত্ৰ-সম্বৰণ আৰু জনজীৱনলৈ প্ৰত্যাৱৰ্তনৰ বাবে আহ্বান জনাই চৰকাৰ আৰু সংগঠনটোৰ আলোচনাৰ জৰিয়তে শান্তি স্থাপনৰ প্ৰচেষ্টাতো জড়িত আছিল।

## জীৱনী

### শৈশৱ আৰু শিক্ষা

ভৱিষ্যতে মামণি ৰয়ছম গোস্বামী নামেৰে প্ৰসিদ্ধ হ'বলগীয়া ইন্দিৰা গোস্বামীৰ গুৱাহাটীত জন্ম হৈছিল ১৯৪২ চনত, পিতা উমাকান্ত গোস্বামী আৰু মাতৃ অম্বিকা দেৱী। উমাকান্ত গোস্বামী এসময়ত কটন কলেজৰ প্ৰিন্সিপাল থকাৰ উপৰিও পাছত অসমৰ প্ৰথম শিক্ষাধিকাৰ আছিল।[উদ্ধৃতিৰ প্ৰয়োজন] মামণি ৰয়ছমৰ সৰুকালচোৱা আমৰঙা সত্ৰত কাটিছিল। তেওঁৰ খুৰাক চন্দ্ৰকান্ত গোস্বামী সত্ৰৰ সত্ৰাধিকাৰ আছিল। গুৱাহাটীৰ লতাশিল প্ৰাথমিক বিদ্যালয়, তৎকালিন অসমৰ ৰাজধানী শ্বিলঙৰ পাইন মাউণ্ট স্কুল আৰু পিছলৈ গুৱাহাটীৰ তাৰিণীচৰণ বালিকা বিদ্যালয়ত মামণি ৰয়ছমে শিক্ষা লাভ কৰিছিল। তেখেতে গুৱাহাটীৰ সন্দিকৈ বালিকা মহাবিদ্যালয়ৰ পৰা আই এ পাচ কৰে।[উদ্ধৃতিৰ প্ৰয়োজন] অসমীয়া ভাষা 'মেজৰ' হিচাবে কটন কলেজৰ পৰা ১৯৬০ চনত স্নাতক আৰু গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা ১৯৬৩ চনত স্নাতকোত্তৰ ডিগ্ৰী অৰ্জন কৰে।

### স্বামীৰ মৃত্যু আৰু বৃন্দাবনী জীৱন

বিশ্ববিদ্যালয়ৰ পঢ়া শেষ কৰি মামণি ৰয়ছম দক্ষিণ ভাৰতীয় অভিযন্তা মাধবন ৰয়চম আয়েংগাৰৰ লগত ১৯৬৬ চনত বিবাহপাশত আবদ্ধ হয় আৰু স্বামীৰ লগত তেওঁৰ কৰ্মক্ষেত্ৰ কাশ্মীৰলৈ গুচি যায়। পিচে যুগ্ম জীৱন আৰম্ভ কৰাৰ ১৮ মাহৰ পাচতে এক পথ দুৰ্ঘটনাত মাধবন আয়েংগাৰৰ অকাল মৃত্যু হয়।[7] এই ঘটনাই মামণি ৰয়ছমৰ জীৱন আৰু সাহিত্যত সুদূৰপ্ৰসাৰী প্ৰভাৱ পেলায়।

বিপৰ্যস্ত মামণি ৰয়ছম মানসিকভাৱে বিষাদগ্ৰস্ত হৈ পৰে। ১৯৮৮ চনত প্ৰকাশ পোৱা আত্মজীৱনী "আধা লেখা দস্তাবেজত তেওঁ লিখিছে যে হাতাশাত তেওঁ কেতিয়াবা আনকি আত্মহত্যাৰ কথাও ভাবিছিল।[7] তেওঁক সান্ত্বনা দিবলৈ শৈশৱৰ স্মৃতি আৰু দেউতাকৰ চিঠিৰ বাহিৰে অন্য কোনো সমল নাছিল।[8] ১৯৬৮ চনত মামণি ৰয়ছমে গোৱালপাৰাৰ সৈনিক স্কুলত শিক্ষকতা কৰিবলৈ লয়। কিছুদিন পাচত তেখেতৰ শিক্ষক উপেন্দ্ৰ চন্দ্ৰ লেখাৰুৰ পৰামৰ্শক্ৰমে বৃন্দাবনত থাকিবলৈ গুচি যায়।[9][10] তাতে থকা সময়তে ১৯৬৯ চনত বৃন্দাবন ইন্‌ষ্টিটিউট অৱ অ'ৰিয়েণ্টেল ফিল'ছফীত উপেন্দ্ৰ চন্দ্ৰ লেখাৰুৰ অধীনত গৱেষণা আৰম্ভ কৰে। বৃন্দাবনৰ বিচিত্ৰ অভিজ্ঞতাৰ ভিত্তিতে মামণি ৰয়ছমে পৰৱৰ্তীকালত তেখেতৰ এখন উপন্যাস "নীলকণ্ঠী ব্ৰজ" ৰচনা কৰে। তেখেতৰ অন্য এখন বিখ্যাত উপন্যাস "গংগাৰ পৰা ব্ৰহ্মপুত্ৰ" উপন্যাসৰ ভেটিটোও ইয়াতেই গঢ় লৈছিল।[11] ১৯৭১ চনত তেখেতে দিল্লী বিশ্ববিদ্যালয়ৰ আধুনিক ভাৰতীয় ভাষা-সাহিত্য অধ্যয়ন বিভাগত অসমীয়া বিষয়ৰ অধ্যাপিকা হিচাবে যোগদান কৰে আৰু মুৰব্বীৰূপে ইয়াৰেপৰাই অৱসৰ গ্ৰহণ কৰে। তুলসীদাসৰ ৰামচৰিতমানস আৰু মাধৱ কন্দলীৰ অসমীয়া ৰামায়ণৰ তুলনামূলক অধ্যয়নৰ বাবে তেখেতে ১৯৭৩ চনত গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা ডক্টৰেট ডিগ্ৰী লাভ কৰে।[12]

### মৃত্যু

২৯ নবেম্বৰ, ২০১১ তাৰিখে ৰাতিপুৱা প্ৰায় ৭:৩০ বজাত গুৱাহাটী, অসমত মামণি ৰয়ছম গোস্বামীয়ে শেষ নিশ্বাস ত্যাগ কৰে। মৃত্যুৰ কেই মাহ আগৰেপৰা তেখেত শয্যাশায়ী হৈ আছিল।[13][2]

**Comment [b1]:** তথ্য উদ্ধৃতি। একেবাৰে তলত থকা 'তথ্য-সূত্ৰ' অংশত থকা ৩ নং দিয়া পেৰেগ্ৰাফটোৰে "'মামণি বাইদেউ' হিচাপে পৰিচিতা" এই তথ্য ক'ৰপৰা লোৱা হৈছে সেইটো বুজাইছে।

**Comment [b2]:** পৰিচয় জ্ঞাপক আৰম্ভণি। এই অংশটো দুই বা তিনিটা পেৰেগ্ৰাফত ভিতৰত হ'ব লাগে আৰু পাছৰ অংশত লিখিত বৰ্ণনাৰ সম্যক আভাষ এটা থাকিব লাগে। প্ৰবন্ধটোৰ গুৰুত্ব এই অংশটোতে স্থাপন কৰিব লাগে।

**Comment [b3]:** মূল প্ৰবন্ধৰ আৰম্ভণি। ব্যক্তি বিষয়ক প্ৰবন্ধ হেতুকে 'জীৱনী' বুলি কোৱা হৈছে। বিষয় ভেদে এই ভাগ বিলাক বেলেগ বেলেগ হ'ব। ইয়াত 'জীৱনী', 'শান্তিদূত', 'জীৱনৰ অভিজ্ঞতা আৰু সাহিত্য' এই তিনিটা মূল ভাগ আছে।

**Comment [b4]:** জীৱনী অংশৰ উপশাখা হিচাপে মামণি ৰয়ছম গোস্বামীৰ জীৱনী আলোচনা কৰা হৈছে।

**Comment [b5]:** প্ৰবন্ধৰ লেখকে এই কথাখিনি জানে কিন্তু অইন কোনো ৰেফাৰেন্স কিতাপত এইখিনি সমৰ্থন কৰা লেখা পোৱা হোৱা নাই। 'উদ্ধৃতিৰ প্ৰয়োজন' বুলি উল্লেখ থাকিলে যদি পঢ়োঁতাৰ হাতত এই কথা সমৰ্থন কৰা কিবা সাক্ষ্য আছে, তেন্তে উল্লেখ কৰি দিব পাৰে।

**Comment [b6]:** আন এটা ৰেফাৰেন্সৰ উল্লেখ।

**Comment [b7]:** এটা পেৰেগ্ৰাফৰ শেষত থকা ৰেফাৰেন্সে গোটেই প্ৰবন্ধৰ কথাখিনি এই নম্বৰৰ উৎসৰপৰা আহৰণ কৰা বুজায়।

**শান্তিদূত**

২০০৪ চনত মামনি ৰয়ছমে অসমৰ বিচ্ছিন্নতাবাদী সংগঠন সংযুক্ত মুক্তি বাহিনীক (ULFA) হিংসা পৰিত্যাগ কৰিবলৈ আহ্বান জনাই সংগঠনটোৰ নেতৃবৃন্দ আৰু চৰকাৰৰ মাজত আলোচনা অনুস্থিত হোৱাত সহায়ৰ প্ৰয়াস কৰে। সেই প্ৰয়াসত সঁহাৰি জনাই সংগঠনটোৱে অসমৰ বিশিষ্ট নাগৰিক আৰু প্ৰচাৰমাধ্যমৰ প্ৰতিনিধিক লৈ People's Consultive Group (PCG) গঠন কৰে। PCG -ৰ মাধ্যমেৰে সংগঠনটোৰ চৰকাৰৰ লগত তিনিলানী আলোচনা অনুস্থিত হয়। ইয়াৰে এবাৰত ভাৰতৰ প্ৰধানমন্ত্ৰী ডঃ মনমোহন সিঙেও ভাগ লয়। প্ৰধানমন্ত্ৰীয়ে ডঃ গোস্বামীৰ জৰিয়তে সংগঠনটোৰ সকলো মুখ্য দাবীৰ বিষয়ে আলোচনাৰ বাবে ইচ্ছা প্ৰকাশ কৰি সংগঠনটোলৈ চিঠি লিখে। অৱশ্যে ইয়াত সংগঠনটোৰ মুখ্য দাবী "সাৰ্বৌভম অসম"ৰ বিষয়ে উল্লেখ নাছিল।[14][15][16]

**জীৱনৰ অভিজ্ঞতা আৰু সাহিত্য**

মামণি ৰয়চম গোস্বামীৰ সাহিত্যত তেখেতৰ জীৱনৰ প্ৰভাৱ স্পষ্ট। এই কথা তেখেতে নিজৰ আত্মজীৱনী আধালেখা দস্তাবেজ আৰু অন্যান্য প্ৰসংগতো একাধিকবাৰ উল্লেখ কৰিছে।

> “I try to write from the direct experiences of my life. I only mould these experiences with my imagination."

মুখ্যতঃ ঔপন্যাসিকা হিচাবেহে বেছিকৈ জনপ্ৰিয় এইগৰাকী প্ৰতিভাবান লিখকে মাতৃভাষা অসমীয়াৰ উপৰিও ইংৰাজী ভাষাতো অনেক নান্দনিক আৰু গৱেষণামূলক সৃষ্টিৰে সাহিত্যৰ লগতে শৈক্ষিক আৰু সামাজিক ক্ষেত্ৰতো অৰিহণা আগবঢ়াই গৈছে। তেখেতৰ সাহিত্যকৰ্মসমূহে সাধাৰণ মানুহৰ বাস্তৱ জীৱনৰ কঠোৰ সত্য প্ৰতীয়মান কৰিলেও তেখেতৰ প্ৰকাশভংগী অত্যন্ত সংবেদনশীল। ২০০৮ চনত প্ৰিন্সিপাল প্ৰিন্স ক্লʼছ সন্মান গ্ৰহণ কৰিবলৈ যাওঁতে আমষ্টাৰডামৰ "দা পাৱাৰ অব আৰ্ট" পত্ৰিকাত দিয়া এক সাক্ষাৎকাৰত মামণি ৰয়ছমে কৈছিল, "যিহেতু বিষয়বস্তু ৰুক্ষ, কাব্যিক ভাষা প্ৰয়োগ কৰিবই লাগিব। মাকে সন্তানক দিয়াৰ দৰেই ইয়াক ৰক্ষণাবেক্ষণ দিব লাগিব। মোৰ গল্প হৈছে কঠোৰ বাস্তৱ লৈ লিখা, কিন্তু মই ইয়াক সাহিত্যলৈ ৰূপান্তৰিত কৰি পেলাওঁ, অন্যথা ই এখন প্ৰচাৰ পত্ৰিকাহে হʼবগৈ। তাৰবাবে নিজে শিল্পী হʼব লাগিব, এজন মহান শিল্পী, অন্যথা জনতাই ইয়াক নপঢ়িব।"[17]

২০০৮ চনত প্ৰিন্সিপাল প্ৰিন্স ক্লʼছ সন্মানৰ বাবে মামণি ৰয়ছমক নিৰ্বাচিত কৰা জুৰীসকলৰ মতে, "সৰ্বসাধাৰণ মানুহৰ অভিজ্ঞতা জীৱন্ত ভাবে সাহিত্যত ফুটাই উঠাব পৰা মামণি ৰয়ছম এগৰাকী অসাধাৰণ প্ৰতিভাসম্পন্ন লেখিকা। চিত্ৰকল্প বৰ্ণনাৰে তেখেতে মানুহৰ কাৰ্য্যকলাপত নশ্বৰতাৰ প্ৰাধান্য, কেনেকৈ ৰাজনৈতিক, ধাৰ্মিক আৰু সাংস্কৃতিক প্ৰথাসমূহত নশ্বৰতা প্ৰতিফলিত হয় আৰু কেনেকৈ জীৱনধাৰা, শাৰীৰিক অস্তিত্ব (gender), বয়স, দাৰিদ্ৰ্য, আৰু সংঘাতত ই প্ৰভাৱ বিস্তাৰ কৰে তাক স্পষ্টভাৱে পৰিস্ফুট কৰে।" মামণি ৰয়ছমক সামাজিক সংস্কৃতিত শাৰীৰিক অস্তিত্বৰ প্ৰভাৱ অনুধাৱন, প্ৰকাশ আৰু অনন্য সাহিত্যৰ জৰিয়তে তেখেতৰ প্ৰভাৱশালী সামাজিক তথা সাংস্কৃতিক কৰ্মৰ বাবে উক্ত সন্মান প্ৰদান কৰা হৈছে।[17]

গল্পকাৰ হিচাবে আত্মপ্ৰকাশ কৰা ড° গোস্বামীৰ ৰচনাৰ ভিতৰত অহিৰণ, চেনাবৰ স্ৰোত, নীলকণ্ঠী ব্ৰজ, মামৰে ধৰা তৰোৱাল, তেজ আৰু ধূলিৰে ধূসৰিত পৃষ্ঠা, দঁতাল হাতীৰ উঁয়ে খোৱা হাওদা, আধা লেখা দস্তাবেজ, সংস্কাৰ, উদয়ভানুৰ চৰিত্ৰ আদি উল্লেখযোগ্য উপন্যাস। ভিন্ন ভিন্ন পটভূমি লৈ লিখা এই উপন্যাস সমূহত মামণি ৰয়ছমে মুখ্যতঃ নাৰীৰ ক্ষেত্ৰত সামাজিক সংস্কাৰৰ অসাৰতা আৰু বৈষম্য[উদ্ধৃতিৰ প্ৰয়োজন] চিত্ৰায়িত কৰা দেখা যায়। নীলকণ্ঠী ব্ৰজ, সংস্কাৰ আদি উপন্যাসত তেখেতে নাৰীক মুখ্য কৰি লিখিছে।

**সাহিত্য-পঞ্জী**

| **উপন্যাস** | **চুটিগল্প** |
|---|---|
| চেনাবৰ স্ৰোত (১৯৭২) | চিনাকি মৰম (১৯৬২) |
| নীলকণ্ঠী ব্ৰজ (১৯৭৬) | কইনা (১৯৬৬) |
| অহিৰণ (১৯৮০) | হৃদয় এক নদীৰ নাম (১৯৯০) |
| মামৰে ধৰা তৰোৱাল আৰু দুখন উপন্যাস (১৯৮০) | মামনি ৰয়ছমৰ স্বনিৰ্বাচিত গল্প (১৯৯৮) |
| দঁতাল হাতীৰ উঁয়ে খোৱা হাওদা (১৯৮৮) | মামনি ৰয়ছম গোস্বামীৰ প্ৰিয় গল্প (১৯৯৮) |
| সংস্কাৰ, উদয়ভানুৰ চৰিত্ৰ ইত্যাদি (১৯৮৯) | |
| ঈশ্বৰী জখমী যাত্ৰী ইত্যাদি (১৯৯১) | **জীৱনী** |
| তেজ আৰু ধূলিৰে ধূসৰিত পৃষ্ঠা (১৯৯৪) | মহিয়সী কমলা ((১৯৯৫) |
| মামনি ৰয়ছম গোস্বামীৰ উপন্যাস সমগ্ৰ (১৯৯৮) | মা (২০০৮) |
| দাশৰথীৰ খোজ (১৯৯৯) | |
| ছিন্নমস্তাৰ মানুহটো (২০০১) | **অনুবাদ** |
| থেংফাখ্ৰী তহচিলদাৰৰ তামৰ তৰোৱাল (২০০৬) | প্ৰেমচন্দৰ চুটিগল্প ((১৯৭৫) |
| | আধা ঘণ্টা সময় (১৯৭৮) |
| **আত্মজীৱনী** | জাতক কথা (১৯৯৬) |
| আধা লিখা দস্তাবেজ (১৯৮৮) | কলম (১৯৯৬) |
| দস্তাবেজৰ নতুন পৃষ্ঠা (২০০৭) | আহ্নিক (২০০০) |

**Comment [b8]:** এটা পেৰেগ্ৰাফত কেবাটাও উৎসৰপৰা আহৰণ কৰা তথ্য উল্লেখ থাকিলে, একেলগে আটাইকেইটা উৎসৰ কথা এইদৰে উল্লেখ কৰি থʼব পাৰি।

**Comment [b9]:** দেখাত প্ৰবন্ধ লেখকৰ নিজস্ব মতামত যেন লাগিলেও ঠিক তলতে এই কথাখিনি কʼৰ পৰা লোৱা হৈছে তাৰ উল্লেখ কৰা হৈছে। এনেকুৱা বিধৰ মতামত উপযুক্ত উল্লেখ অবিহনে প্ৰবন্ধটোৰ লিখকে নিজে দিব নালাগে। তেতিয়া হʼলে সেইটো লেখকৰ নিজস্ব মতামত হʼব। বিশ্বকোষীয় প্ৰবন্ধত লেখকে নিজৰ মতবাদ আগবঢ়াব নোৱাৰে।

**Comment [b10]:** মামণি ৰয়ছম গোস্বামীৰ সাহিত্য-কৃতি টেবুল আকাৰে দেখুওৱা হৈছে। পুনৰাবৃত্তি হৈ থকা এনে তথ্য টেবুল আকাৰে দিলে বুজিবলৈ সহজ হোৱাৰ লগতে বেছি তথ্য সমৃদ্ধ হয়।

**সন্মান:**

| | |
|---|---|
| ১৯৮২- সাহিত্য অকাডেমি বঁটা ("মামৰে ধৰা তৰোৱাল"ৰ বাবে) | ২০০২- পদ্মশ্ৰী বঁটা (ল'বলৈ অস্বীকাৰ কৰে) |
| ১৯৮৮- অসম সাহিত্য সভা বঁটা | ২০০৭- ৰাজীৱ গান্ধী বিশ্ববিদ্যালয়, অৰুণাচল প্ৰদেশৰ দ্বাৰা ডি. লিট সন্মান |
| ১৯৮৯- ভাৰত নিৰ্মাণ বঁটা | ২০০৮- ইন্দিৰা গান্ধী ৰাষ্ট্ৰীয় মুক্ত বিশ্ববিদ্যালয়ৰ দ্বাৰা ডি. লিট সন্মান |
| ১৯৯২- উত্তৰ প্ৰদেশ হিন্দী সংস্থানৰ সৌহাদ্য বঁটা | ২০০৮- এছিয়াটিক চ'চাইটিৰ ঈশ্বৰ চন্দ্ৰ বিদ্যাসাগৰ বঁটা |
| ১৯৯৩- কথা ৰাষ্ট্ৰীয় সাহিত্যিক বঁটা | ২০০৮- প্ৰিন্স ক্লাছ বঁটা |
| ১৯৯৬- কমল কুমাৰী ৰাষ্ট্ৰীয় বঁটা | ২০০৯- অসম সাহিত্য সভাৰ কৃষ্ণকান্ত সন্দিকৈ বঁটা |
| ২০০০- জ্ঞানপীঠ বঁটা | ২০০৯- দিল্লী বিশ্ববিদ্যালয়ৰ Professor Emeritus সন্মান |
| ২০০২- পশ্চিম বঙ্গৰ ৰবীন্দ্ৰ ভাৰতী বিশ্ববিদ্যালয়ৰ ডি. লিট. সন্মান | Inter Religious and International Federation for World Peaceৰ শান্তি দূত বঁটা |
| ২০০২- মহিয়সী জয়মতী বঁটা | Ramayana From Ganga To Brahmaputra গ্ৰন্থৰ বাবে Florida International Universityৰ "আন্তৰ্জাতিক তুলসী বঁটা" |

অন্যান্য মাধ্যমত

"দঁতাল হাতীৰ উঁয়ে খোৱা হাউদা"ৰ ভিত্তিত ১৯৯৬ চনত দূৰদৰ্শনৰ ৰাষ্ট্ৰীয় চেনেলৰ বাবে দুলাল ৰয়ে "কামৰূপ কী কাহানীয়া" শীৰ্ষক হিন্দী ধাৰাবাহিক নিৰ্মাণ কৰে।[উদ্ধৃতিৰ প্ৰয়োজন] "দঁতাল হাতীৰ উঁয়ে খোৱা হাউদা"ৰ ভিত্তিত ১৯৯৬ চনত ড° সান্ত্বনা বৰদলৈয়ে "অদাহ্য" নামৰ বোলছবি নিৰ্মাণ কৰে[23]। একে নামৰ উপন্যাসৰ আধাৰত ৰঞ্জিত দাসে "সংস্কাৰ" শীৰ্ষক বোলছবি নিৰ্মাণ কৰে। ছবিখন কোলকাতা ছবি মহোৎসৱ আৰু দূৰদৰ্শনত প্ৰদৰ্শিত হয়। "Words from the Mist" মামণি ৰয়ছম গোস্বামীৰ জীৱনৰ বিষয়ে জাহ্নু বৰুৱাই নিৰ্মাণ কৰা এখন তথ্যছবি[24]।

তথ্যসূত্ৰ


1. ↑ "Jnanpith award winning Assamese litterateur Indira Goswami dies". Times of India.৩০ নৱেম্বৰ, ২০১২. [http://timesofindia.indiatimes.com/india/Jnanpith-award-winning-Assamese-litterateur-Indira-Goswami-dies/articleshow/10914222.cms আহৰণ কৰা তাৰিখ: ৩০ নৱেম্বৰ, ২০১২]
2. ↑ 2.0 2.1 "Mamoni Raisom Goswami passes away". Times of Assam. Retrieved November 29, 2011.
3. ↑ [1]The Intimate Mornings with Mamoni Baideo; Manjeet Barua, 6/11/2006; Retrieved 1/12/2011
4. ↑ Sisir Kumar Das. "A history of Indian literature: 1800-1910 Western impact: Indian responce". Sahitya Akademi, pages: ISBN no:
5. ↑ [2]Jnanpith award presented; The Hindu 25/02/2002; Retrieved 1/12/2011
6. ↑ http://www.assamtimes.org/hot-news/2432.html Principal Prince Claus Award for Indira Goswami In a rare honour, Dr Indira Goswami (Mamoni Raisom) has been conferred the title of Professor Emeritus by Delhi University on 12th november 2009 and offered the job of teaching at her old Modern Indian Language Department. In an exceptional departure from past practice, the Department of Modern Indian Language and Literary Studies of Delhi University also organised a seminar on works of a living author. ,
7. ↑ 7.0 7.1 [3]Indira Goswami and Women's Empowerment; Malashri Lal, 3 Oct 2008; Retrieved 1/12/2011
8. ↑ [4]Mamoni Raisom Goswami passes away, By Syed Zarir Hussain; Retrieved 1/12/2011
9. ↑[http://www.primenewstv.com/news/news.php?aID=1184&cat=4 আহৰণ কৰা তাৰিখ: ০১-১২-২০১২
10. ↑http://indiragoswami.blogspot.com/2008/10/indira-goswami-and-womens-empowerment.html]Loss of a veteran writer; Prime News; Retrieved 1/12/2011
11. ↑ [5]Principal Prince Claus Award 2008, Principal Prince Claus Award 2008 Indira Goswami, Retrieved 1/12/2011
12. ↑ [6]Dr Indira Goswami-Assam's fiery pen, By Shehar Bano Khan, Retrieved 1/12/2011
13. ↑ [7]Asomiya Writer Indira Goswami Dead,Three-Day State Mourning In Assam; 29 Nov 2011; Retrieved 1/12/2011
14. ↑ [8]Mamoni tried to start ULFA peace talks, The Assam Tribune, 29/11/2011, Retrieved 1/12/2011
15. ↑http://www.hindu.com/mp/2005/08/11/stories/2005081100630100.htm
16. ↑http://www.thesundayindian.com/en/story/mamoni-roisom-goswami-passes-away/14/26452/
17. ↑ 17.0 17.1 [9]Indira Goswami catches hard life in poetry; By Marjan Terpstra, December 2008, Retrieved 1/12/2011


**Comment [b11]:** প্ৰবন্ধটো লিখোঁতে ক'ৰপৰা তথ্য আহৰণ কৰা হৈছিল। বেছি উৎসৰপৰা তথ্য আহৰণ কৰিলে ভাল। এটা উৎসত কেতিয়াবা কোনো ভুল-ভ্ৰান্তি থাকিব পাৰে। কিন্তু একেটা কথাকে কেবাটাও উৎসই সমৰ্থন কৰিলে সেইটো শুদ্ধ হোৱাৰ নিশ্চয়তা বাঢ়ি যায়।

**Comment [b12]:** বাতৰি কাকতৰপৰা লোৱা তথ্যঃ "লেখাটোৰ নাম, কাকতৰ নাম, কোন তাৰিখৰ কাকত।" যদি কাকতখন ইণ্টাৰনেটত উপলব্ধ তেন্তে তালৈ লিংক টোও দি ৰাখিব পাৰি।লিংক দিলে কোন দিনা ৱেবপৃষ্ঠাটো চোৱা হৈছিল সেই উল্লেখ কৰি দিব লাগে। যেনে, এইটো লিংক চোৱা হৈছিল ৩০ নৱেম্বৰ, ২০১২ তাৰিখে।

**Comment [b13]:** কিতাপৰপৰা লোৱা তথ্যৰ উল্লেখ। লেখকৰ নাম, প্ৰকাশক, কিতাপখনৰ নাম, আৰু তথ্যখিনি উল্লেখ কৰা পৃষ্ঠাৰ সংখ্যা। যদি কিতাপখন কোনোবা ৱেবছাইটত পঢ়িব পৰাকৈ পোৱা যায়, তেন্তে তালৈ থকা লিংকটোও দিব পাৰে। থাকিলে কিতাপৰ প্ৰকাশৰ চন আৰু ISBN নং উল্লেখ কৰিব লাগে।

**Comment [b14]:** ৱেবছাইটৰপৰা আহৰণ কৰা তথ্য। কোনদিনা ৱেবছাইটটো চোৱা হৈছিল তাৰ উল্লেখ থাকিব লাগে। লগতে ৱেবপৃষ্ঠালৈ সম্পূৰ্ণ লিংক। যদি ছাৰ্চ কৰি উলিয়াব লাগে, তেন্তে কি শব্দ দি ছাৰ্চ কৰিলে সহজতে পোৱা যায়।

তথ্য-সূত্ৰ উল্লেখ কৰোঁতে মানিবলগীয়া সাধাৰণ নিয়ম হ'লঃ
উৎস যিমান পাৰি সিমান খৰছি মাৰি উল্লেখ কৰিব লাগে, যাতে যিয়ে চাব বিচাৰে, তেখেতে এইখিনি কথাৰপৰাই সেই তথ্য আহৰণ কৰা মূল উৎসটো বিচাৰি উলিয়াই কথাখিনিৰ নিৰ্ভৰযোগ্যতা প্ৰমাণ কৰিব পাৰে।

===কাৰ্যনিৰ্বাহক সমিতি===

১) উদ্দীপ তালুকদাৰ, ৯৪৩৫৩২০৫৮৯

২) বিষ্ণু শইকীয়া, ৯৮৬৪১ ৯৮২২৮

৩) অঞ্জল বৰা, ০৯৪৭৯৪২০০৯৪

৪) জ্যোতিপ্ৰকাশ নাথ, ৯৮৬৪৯১৭৭০৬

৫) গীতাৰ্থ বৰদলৈ, ৮৮২২৮৪২৭২৬

ৱিকিপিডিয়া
মুক্ত বিশ্বকোষ

===সহযোগী কৰ্মকৰ্তা===

১) অৰ্ণৱ মুকুট বৰুৱা, দূৰভাষ:- ৯৮৬৪১২৩৫৬৪

===প্ৰবন্ধ পঠিওৱাৰ ঠিকনা:===

Jyoti Prakash Nath,
Simmtronics Semiconductors Ltd.
H.No: 1, K.C. Das Path,
P.P. Road, Rehabari,
Guwahati-8
(Phone: 9864917706)

===ই-মেইল===

assamesewikipedia@yahoo.com

==ফেচবুক গোট==

https://www.facebook.com/groups/assamwikigroup/

==অসমীয়া ৱিকিপিডিয়া==

http://as.wikipedia.org

==আলোকচিত্ৰ আৰু প্ৰবন্ধ প্ৰতিযোগিতাৰ ৱেবপৃষ্ঠা==

http://as.wikipedia.org/wiki/ৱিকিপিডিয়া:ৱিকিপ্ৰকল্প_আলোকচিত্ৰ_আৰু_প্ৰবন্ধ_প্ৰতিযোগিতা